পাঠ-১৫

# ঈশ্বৰৰ ইচ্ছাৰে চলিবলৈ আনক সহায় কৰা

*আপুনি যি শিকি আছে তাৰ বিষয়ে আনক কিয় নকয়?* (১)

*আপুনি কাক শুভবাৰ্ত্ত জনাব?* (২)

*আপোনাৰ আচাৰণ আনক কি দৰে প্ৰভাবিত কৰিব পাৰে?* (২)

*কেতিয়া আপুনি মন্ডলীৰ লগত প্ৰচাৰত ভাগ লব পাৰে?* (৩)



১. এতিয়া আপুনি বহুতো ভাল কথা বাইবেলৰ পৰা জানিব পৰিলে। এই জ্ঞানে আপোনাক এজন খ্ৰীস্টায়ান ব্যক্তিত্বলৈ উন্নত হবলৈ বাট দেখুৱাব। (ইফিচীয়া ৪:২২-২৪) আপোনাক অনন্ত জীৱনৰ অধিকাৰী হবলৈ এই জ্ঞানৰ আৱশ্যক। (যোহন ১৭:৩) যিহেতু আনকো শুভবাৰ্ত্তা জনোৱা দৰকাৰ যাতে তেওঁলোকেও ৰক্ষা পায়। সকলো সত্য খ্ৰীষ্টীয়ানে অন্যক সাক্ষী দিয়া উচিত, এইটো ঈশ্বৰৰ আদেশ।—ৰোমীয়া ১০:১০; ১ কৰিন্থীয়া ৯:১৬; ১ তীমথিয় ৪:১৬.



২. আপুনি আপোনাৰ ওচৰৰ থকা সকলৰ সৈতে আপুনি যি শিকিছে তাৰ অংশ দিব পাৰে। আপোনাৰ পৰিয়াল বৰ্গত থকা বিলাকক, বন্ধু-বান্ধৱক, স্কুলৰ লগৰীয়াক, আৰু সহকৰ্ম্মিকো কব পাৰে। যেতিয়া আপুনি তেনে কৰে তেতিয়া নম্ৰ আৰু সহনশীল হোৱা উচিত। (২ তীমথীয় ২:২৪, ২৫) মনত ৰাখিব মানুহে শুনাতকৈ, আপোনাৰ আচাৰ-ব্যৱহাৰ প্ৰতিহে বেছি লক্ষ্য কৰিব। আপোনাৰ ভাল আচৰ-ব্যৱহাৰে তেওঁলোকক আপুনি কোৱা কথাৰ প্ৰতি আকৰ্ষিত কৰিব।—মথি ৫:১৬; ১ পিতৰ ৩:১,২, ১৬.

৩. সময়ত আপুনি স্থানীয় যিহোৱা সাক্ষীৰ মন্ডলীৰ লগত প্ৰচাৰ কৰিবলৈ যোগ্য হব পাৰে। এইটোৱে হৈছে আপোনাৰ উন্নতিৰ এটা প্ৰধান কাৰ্য্য। (মথি ২৪:১৪) কিয়ে আনন্দময় বিষয় হব যেতিয়া আপুনি অন্যক যিহোৱাৰ সেৱক হবলৈ আৰু অনন্ত জীৱন পাব লৈ সহায় কৰিব পাৰিব। —১ থিচলনীকীয়া ২:১৯, ২০.

